# কংগ্ৰেছৰ মাজত উদ্বিগ্নতা

দিনাংক- ৩১ জানুৱাৰী ২০১৪

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

নিৰ্বাচনৰ সময় চাপি অহাৰ লগে লগে কংগ্ৰেছ দ'লৰ মাজত উদ্বিগ্নতা বেছিকৈ পৰিলক্ষিত হৈছে । প্ৰত্যেকজনে কংগ্ৰেছ দ'লক নিৰ্বাচনৰ বাবে তৈয়াৰ কৰাৰ বিপৰীতে নিজৰ নিজৰ স্থানৰ বাবে চিন্তিত হৈ আছে ।

আমেঠী কংগ্ৰেছ দ'লৰ নিজা সমষ্টি আছিল । এইয়া ৰাহুল গান্ধীৰ সমষ্টি । যোৱা ৪ দশকৰ পৰা গান্ধী পৰিয়ালে তাত ৰাজ কৰি আছে । আমেঠীৰ ৰজা সঞ্জয় সিঙ, হয়তো ৰাহুল গান্ধীৰ বিৰুদ্ধে প্ৰতিদ্বন্দিতা কৰিব, সেই কথা কংগ্ৰেছ দ'লৰ কাৰ্য্যত প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থীক ভয় খুৱাব'লৈ যথেষ্ট আছিল । তেওঁক সেই বাবে অসমৰ পৰা ৰাজ্যসভা লৈ পথোৱাৰ ব্যৱস্থা কৰিছে । আমেঠী সমষ্টি সুৰক্ষিত কৰিব লৈ চেষ্টা কৰা হৈছে লগতে সমাজবাদী পাৰ্টি আৰু বহুজন সমাজবাদী পাটিৰ্ৰ সৈতে বুজাবুজি কৰা হৈছে, যাতে তেওঁলোকে নিজৰ প্ৰাৰ্থীত্ব বৰ্ত্তমান সংসদীয় সদস্যৰ বিৰুদ্ধে নিদিয়ে । কংগ্ৰেছ দ'লৰ এই কাৰ্য্য কেৱল তেওঁলোকৰ নেতাক সকলোৰে উদ্বিগ্নতা পৰিলক্ষিত কৰোৱাই নহয় আনকি অসমত তেওঁলোকৰ দ'লৰ জিকাৰ সম্ভাৱনাৰ যথেষ্ট ক্ষতি হৈছে । উত্তৰ পূৱ ৰাজ্য আৰু জন্মূ অৰু কাশ্মীৰৰ দ্বৰে বিশেষকৈ সংবেদনশীল ৰাজ্যৰ পৰা সংসদৰ নিৰ্বাচনত নিজৰ প্ৰাৰ্থীত্ব দিব বিচাৰে ।

হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু চত্তীশগড়ৰ জেষ্ঠ নেতা সকলে নিৰ্বাচনত দ'লৰ অভিযানত আগ-ভাগ লোৱাৰ বিপৰীতে ৰাজ্যসভাৰ মনোনয়ন বিচাৰিছে ।

সহযোগী দ'লৰ অৱস্থাও ভিন্ন নহয় । তৃণমূল কংগ্ৰেছ, ডি এম কে আৰু টি আৰ এছ ৰ দ্বৰে সহযোগী দ'লে ইউ পি এ ৰ পৰা ওলাই অহা দেখা গৈছে । বৰ্ত্তমানৰ সহযোগী দ'ল কেৱল এন চি পি আৰু নেচনেল কন্ফাৰেন্স আছে । এন চি পি য়ে প্ৰতিদিনে বিৰোধাভাষী ইংগিত দেখাই আছে । ২০০২ চনৰ গুজৰাট কাণ্ডৰ ওপৰত তেওঁলোকৰ নেতাই প্ৰকাশ কৰা মন্তব্য, কংগ্ৰেছ দ'লে দিয়া মন্তব্যতকৈ একেবাৰে বিপৰীত । নেচনেল কন্ফাৰেন্স দ'লেও দিল্লীত শাসকীয় দ'লৰ লগত সহযোগিতাৰ বাবে কংগ্ৰেছ দ'লৰ পৰা সহযোগিতা ভঙাৰ প্ৰস্ততি চলাইছে ।

কেন্দ্ৰীয় নেতৃত্বক অমান্য কৰাৰ সামৰ্থ কোনো ৰাজ্যৰ খণ্ডৰ কংগ্ৰেছ দ'লৰ নেতাৰ নাই । অন্ধ্ৰপ্ৰদেশৰ বহুতো কংগ্ৰেছ কৰ্মীৰ সৈতে মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত লৈছে যে তেলেংগনা বিষয়ৰ ওপৰত কংগ্ৰেছ দ'লৰ সিদ্ধান্ত অমান্য কৰিব । ইয়াৰ পাছতো অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যসভাৰ নিৰ্বাৰ্চনৰ বাবে ক্ৰছ ভোটিং হোৱাতো নিশ্চিত । এই সকলো কাৰণৰ বাবে ২০০৪ আৰু ২০০৯ বিধানসভাৰ নিৰ্বাচনত ৰাজ্যত বৃহৎ সংখ্যাৰ আসন লাভ কৰা কং গ্ৰেছ দ'ল ভাগ ভাগ হৈ পৰিব ।

আৰু শেষত মোৰ বন্ধু কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰী পি চি চিদাম্বৰমে নৰ্থ ব্লকৰ পাছৰ জীৱনৰ পৰিকল্পনা কৰিছে । তেওঁ বহুতো অৰ্হতাসম্পূৰ্ণ অধিবক্তা । সংসদৰ লোকচান হ'লেও উচ্চতম ন্যায়লয়ৰ লাভ হ'ব । তেওঁ আজিকালি যি ধৰণৰ বিৰোধী দ'লৰ বিৰুদ্ধে বিজ্ঞপ্তি আৰু তেওঁলোকৰ শিক্ষাগত অৰ্হতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি আছে সেইয়া দেখি মোৰ ভাৱ হৈছে যে তেওঁ খবৰ কাকতত কলম লিখাৰ অভিজ্ঞতা অৰ্জন কৰি আছে । মোৰ বিশ্বাস যে তেওঁৰ লিখাখিনি পঢ়িব'লে যথেষ্ট শুৱনি হ'ব ।